# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 26-10-2026 **Time :** 0900 Hrs.

## Headlines

১। দেশৰ বেংকিং ব্যৱস্থাক চাইবাৰ আক্ৰমণৰ পৰা সুৰক্ষিত কৰাৰ আৱশ্যকতাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গুৰুত্ব আৰোপ।

২। শ্ৰীভূমি জিলাত বিহু দলক আক্ৰমণৰ ঘটনাক লৈ ৰাজ্যৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিক্ৰিয়া। ঘটনা সংক্ৰান্তত কেইবাজনক আটক।

৩। অৰুণাচল প্ৰদেশৰ প্ৰস্তাৱিত আপাৰ চিয়াং বহুমুখী প্ৰকল্পৰ বিৰোধিতাৰে কৰা প্ৰতিবাদৰ সময়ত সংঘটিত হিংসাত্মক পৰিস্থিতিৰ পাছত ৰাজ্যখনলৈ দুটা ৰেপিড এক্সন ফ'ৰ্চ কোম্পানী প্ৰেৰণ।

৪। দেশৰ আন অংশৰ লগতে অসমতো আজিৰে পৰা ১ নৱেম্বৰলৈ তদাৰকী সজাগতা সপ্তাহ।

**আৰু**

৫। ৰাজকোটত হ'বলগীয়া ৰঞ্জি ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ তৃতীয়খন খেলত অসম আজি সৌৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ। ০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ বেংকিং ব্যৱস্থাক চাইবাৰ আক্ৰমণৰ পৰা সুৰক্ষিত কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। ওড়িশাৰ ভুৱনেশ্বৰৰ সমীপৰ জাটনিত কালি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্য কেন্দ্ৰ আৰু চাইবাৰ সুৰক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান মুকলি কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বৰ্তমান সময়ত অকল পৰম্পৰাগত সমৰ কৌশলেৰেই যুদ্ধ যুঁজা নহয়, বৰং অৰ্থব্যৱস্থাসমূহকো আক্ৰমণৰ লক্ষ্য কৰি লোৱা হয়।

**বাইট (পি এম)**

প্ৰায় ১৭০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই তথ্য কেন্দ্ৰটোৱে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক তথ্যৰ সুৰক্ষা বৃদ্ধি কৰিব আৰু দেশৰ ডিজিটেল বিত্তীয় আন্তঃগাঁথনি নিৰাপদ কৰি তুলিব বুলি আশা কৰা হৈছে।

০০০০০০০

শ্ৰীভূমি জিলাত বিহু দলক আক্ৰমণৰ ঘটনাক লৈ ৰাজ্যৰ বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আৰক্ষীয়ে ইতিমধ্যে শ্ৰীভূমি থানাত এই সন্দৰ্ভত ৰুজু কৰা গোচৰৰ ভিত্তিত কেইবাজনকো আটক কৰিছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতে আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে সামাজিক মাধ্যমযোগে কয় যে ঘটনাৰ অধিক তদন্ত অব্যাহত আছে আৰু এই ঘটনাত জড়িতসকলক চিনাক্ত কৰি গ্ৰেপ্তাৰৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে।

ইপিনে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিহু দলৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাক দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এই ঘটনা গৰিহণাযোগ্য আৰু অসমৰ সাংস্কৃতিক ঐতিহ্য, পৰম্পৰাৰ প্ৰতি অপমানজনক।

এই আক্ৰমণৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম চুতীয়া ছাত্ৰ সন্থা, চুতীয়া সন্মিলনীকে ধৰি বিভিন্ন সংস্থা আৰু সংগঠনে দোষীৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

অসম সাহিত্য সভায়ো আক্ৰমণৰ ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। এনে কাৰ্য কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে উল্লেখ কৰে। সাহিত্য সভাই এই ঘটনাৰ নিৰপেক্ষ তদন্ত কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে শ্ৰীভূমি জিলাৰ হিন্দুস্তান ক্লাবৰ দুৰ্গা পূজা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত বিহু পৰিৱেশনৰ বাবে আমন্ত্ৰণ জনোৱা দলটোক এদল দুৰ্বৃত্তই ভাবুকি দিয়াৰ লগতে আক্ৰমণ কৰে। এই ঘটনাত বিহু দলটোৰ কেইবাজনো শিল্পী আহত হয়।

০০০০০০০

অৰুণাচল প্ৰদেশত প্ৰস্তাৱিত ১১ হাজাৰ ২০০ মেগাৱাট শক্তি সম্পন্ন আপাৰ চিয়াং বহুমুখী প্ৰকল্পৰ বিৰোধিতাৰে কৰা প্ৰতিবাদৰ সময়ত পাচিঘাটত সংঘটিত হিংসাত্মক পৰিস্থিতিৰ পাছত কেন্দ্ৰই ৰাজ্যখনলৈ চি আৰ পি এফ-ৰ দুটা ৰেপিড এক্সন ফ'ৰ্চ কোম্পানী প্ৰেৰণ কৰিছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া নিৰ্দেশ অনুসৰি নৱী মুম্বাইৰ পৰা ভাৰতীয় বায়ুসেনাৰ পৰিবহণ বিমানেৰে লৈ অনা ৰেপিড এক্সন ফ'ৰ্চৰ ২৫০ জন জোৱান কালি ৰাজ্যখনত মোতায়েন কৰা হয়। ৰেপিড এক্সন ফ'ৰ্চ হৈছে বিশেষ নীলা ইউনিফৰ্ম পৰিধান কৰা চি আৰ পি এফ-ৰ সংঘাত প্ৰতিৰোধী গোট। অৰুণাচল প্ৰদেশত স্থায়ীভাৱে চি আৰ পি এফৰ প্ৰায় ২-৩টা বেটেলিয়ন আছে আৰু ৰাজ্যখনত সংঘৰ্ষজৰ্জৰ অঞ্চলসমূহত কেইবাটাও চি আৰ পি এফৰ গোট মোতায়েন কৰা হৈছে। চৰকাৰী সূত্ৰ অনুসৰি চি আৰ পি এফৰ জোৱানসকলে যোৱা শুকুৰবাৰৰ পৰা পৰিস্থিতি নিয়ন্ত্ৰণ কৰি আছে আৰু হিংসাত্মক ঘটনা যাতে বৃদ্ধি নহয় সেয়াও নিশ্চিত কৰিছে।

অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে শান্তিপূৰ্ণ প্ৰতিবাদৰ অধিকাৰ গণতন্ত্ৰৰ অবিচ্ছেদ্য অংশ বুলি উল্লেখ কৰি কয় যে এনে প্ৰতিবাদ আইনৰ পৰিসীমাৰ ভিতৰত থকাটো প্ৰয়োজন আৰু এনে প্ৰতিবাদৰ ফলত সম্পত্তিৰ ক্ষয়-ক্ষতি অথবা আইন শৃংখলা পৰিস্থিতি ব্যাহত হোৱাটো উচিত নহয়।

০০০০০

দ্বাদশ ব্ৰীকছ্ সংসদীয় সন্মিলন আজি নতুন দিল্লীত আৰম্ভ হ'ব। এই দুদিনীয়া সন্মিলনৰ মূল বিষয়বস্তু হৈছে— জনসাধাৰণ কেন্দ্ৰিক উন্নয়নৰ বাবে সংসদৰ সৱলীকৰণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিব আৰু সন্মিলনত ভাগ লোৱা প্ৰতিনিধিসকলক সাক্ষাৎ কৰিব। লোকসভাৰ অধ্যক্ষ তথা দ্বাদশ ব্ৰীকছ্ সংসদীয় সন্মিলনৰ অধ্যক্ষ ওম বিৰলাই সন্মিলনৰ কাৰ্যসূচীৰ গুৰি ধৰিব আৰু অভ্যাগত প্ৰতিনিধিসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। এই সন্মিলনলৈ ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ ১১ খন সদস্য ৰাষ্ট্ৰ আৰু ১০ খন সহযোগী ৰাষ্ট্ৰক আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০০০০

অসমীয়া সাহিত্যৰ অন্যতম কাণ্ডাৰী সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ওপজা দিন উপলক্ষে কালি শিৱসাগৰত বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত জিলাখনৰ লক্ষ্মীনাথ বেজবৰুৱা উদ্যানত আয়োজিত অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে

সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে চলিত বৰ্ষৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা বঁটা বিশিষ্ট সাহিত্যিক তথা সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীলৈ আগবঢ়োৱাৰ কথা ঘোষণা কৰে। উল্লেখযোগ্য যে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে সদৌ অসম ছাত্ৰ সন্থাই ২০২১ চনৰ পৰা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰলৈ বিশেষ অৱদান আগবঢ়োৱা ব্যক্তিক সন্মান জনাই এই বঁটা প্ৰদান কৰি আহিছে।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ পৰা ডুবাইলৈ ৰপ্তানি কৰিবলগীয়া অগৰু কাঠৰ চলাৰ প্ৰথমটো খেপ প্ৰেৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে বিয়লি ৪ বজাত দিছপুৰৰ লোকসেৱা ভৱনৰ পৰা আনুষ্ঠানিকভাৱে এই সামগ্ৰীখিনি প্ৰেৰণৰ অভিযান পতাকা জোকাৰি মুকলি কৰিব। এখন জিলা, এবিধ সামগ্ৰী কাৰ্য্যসূচীৰ অধীনত গোলাঘাট জিলাৰ পৰা এই সামগ্ৰীখিনি প্ৰেৰণ কৰা হ'ব।

০০০০০

চিৰাং জিলা প্ৰশাসনে ভূটানৰ গেলেফুত প্ৰস্তাৱিত মাইণ্ডফুলনেছ চিটিলৈ বিদেশী পৰ্য্যটকৰ আগমণৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি সামথাইবাৰী ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা দাদঘিৰী-হাতিছাৰস্থিত গেলেফু আন্তঃৰাষ্ট্ৰীয় সীমান্তলৈ গধুৰ আৰু মালবাহী যান-বাহনৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰিছে। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্য্যন্ত এই নিষেধাজ্ঞা বলবৎ থাকিব। চিৰাং জিলা দণ্ডাধীশৰ কাৰ্য্যালয়ৰ তৰফৰ  পৰা জাৰি কৰা নিৰ্দেশনা অনুসৰি যান-বাহনৰ চলাচল সূচাৰুৰূপে পৰিচালনা কৰা, পৰ্য্যটকৰ নিৰাপদ আৰু বাধাহীন যাতায়ত নিশ্চিত কৰা তথা ভাৰত-ভূটানক সংযোগ কৰা গুৰুত্বপূৰ্ণ পথবোৰৰ যানজঁট ৰোধ কৰাৰ উদ্দেশ্যে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে, ভূটানৰ গেলেফু মাইণ্ডফুলনেছ চিটিত ১০৮ টা স্তুপ স্থাপনৰ শুভ উপলক্ষত ৬ নৱেম্বৰলৈ বিদেশী ৰাষ্ট্ৰৰ পৰা ভালেসংখ্যক পৰ্য্যটকৰ আগমণ ঘটাৰ সম্ভাৱনা আছে।

০০০০০

দেশৰ আন অংশৰ লগতে অসমতো আজিৰে পৰা ১ নৱেম্বৰলৈ তদাৰকী সজাগতা সপ্তাহ পালন কৰিবলৈ লোৱা হৈছে। স্বচ্ছ, নিকা, দায়বদ্ধ দুনীৰ্তিমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে প্ৰতিবছৰে এই সপ্তাহ পালন কৰা হয়। এইবাৰ এই সপ্তাহৰ মূল বিষয়বস্তু হৈছে সততাৰ জৰিয়তে সমৃদ্ধি। এই সপ্তাহৰ অংশ হিচাপে মন্ত্ৰালয়, বিভাগ, ৰাজহুৱা প্ৰতিষ্ঠান, বেংক আৰু আন সংস্থাৰ কৰ্মচাৰী সকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে শপতবাক্য পাঠ কৰোৱা হব।

০০০০০

ৰাজ্যত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ১ লাখ ৪৬ হাজাৰ পৰিয়ালে বাসগৃহ লাভ কৰিছে আৰু গৃহ নিৰ্মাণত ৩ হাজাৰ ১০০ কোটি টকাৰো অধিক ধন বিনিয়োগ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে কালি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। কাৰ্যালয়ে লগতে ৯৩ দশমিক ৭ শতাংশ গৃহ নিৰ্মাণ সম্পূৰ্ণ হোৱা বুলিও জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ দ্বিতীয় সংস্কৰণৰ অধীনত ১২ হাজাৰ ৯০০ৰো অধিক বাসগৃহ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে বুলি কাৰ্যালয়ৰ তথ্যত প্ৰকাশ পাইছে।

০০০০০০০০

এছিয়ান গেমছৰ স্বৰ্ণজয়ী বক্সাৰ লাভলীনা বৰগোহাঁইয়ে কালি শিৱসাগৰত অৰ্জুন ভোগেশ্বৰ বৰুৱাক সাক্ষাৎ কৰি তেওঁৰ স্বাস্থ্যৰ বুজ লয়। ১৯৬৬ চনত বেংককত অনুষ্ঠিত এছিয়ান গেমছত স্বৰ্ণ পদক জয় কৰি

গৌৰৱ কঢ়িয়াই অনা অৰ্জুন ভোগেশ্বৰ বৰুৱা আৰু নতুন প্ৰজন্মৰ ক্ৰীড়া প্ৰতিভা লাভলীনা বৰগোহাঁইয়ে ক্ৰীড়া বিষয়ক বিভিন্ন কথা আলোচনা কৰে। বৰ্ষীয়ান ক্ৰীড়াবিদগৰাকীয়ে লাভলীনা বৰগোহাঁইয়ে অসমৰ বাবে অনাগত দিনত অধিক স্বৰ্ণ পদক জয় কৰিব বুলি আশা প্ৰকাশ কৰে। লাভলীনাই ভোগেশ্বৰ বৰুৱাৰ পৰা লাভ কৰা অনুপ্ৰেৰণা আৰু আশীৰ্বাদে তেওঁক আগবাঢ়ি যোৱাত যথেষ্ট সহায় কৰিছে বুলি মন্তব্য কৰে।

**বাইট (লাভলীনা)**

০০০০০০০

তামুলপুৰ জিলাৰ তেতেলিগুৰি-কালাকুছি বাৰোৱাৰী পূজা ক্ষেত্ৰত সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰি একেখন মঞ্চতে কালিৰে পৰা ৮১ সংখ্যক লক্ষ্মী পূজা আৰু বড়ো জনগোষ্ঠীৰ মাইনাও পূজা মহোৎসৱ অনুষ্ঠিত হৈছে। সাংসদ প্ৰমোদ বড়োৱে মন্দিৰৰ দ্বাৰ মুকলি কৰাৰ পাছত বড়ো জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি-নীতিৰে বাথৌ আৰজ পৰিৱেশন কৰে। পূজা মহোৎসৱৰ কালি প্ৰথম দিনা উদযাপন সমিতিৰ সভাপতি তথা মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণ কাৰ্যসূচীত অংশ লয়। সন্ধিয়াৰ ভাগত আয়তীৰ নাম, ওজাপালি, নাট, নাগাৰা নাম, কুইজ প্ৰতিযোগিতা আদিকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০০০

ভাৰতীয় গণনাট্য সংঘ, আই পি টি এৰ অসম ৰাজ্যিক সমিতিয়ে বছৰজোৰাকৈ আয়োজন কৰা সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণী অনুষ্ঠান অহা ৩ নৱেম্বৰত উদযাপন কৰিবলৈ লোৱা হৈছে। ভাৰতৰত্ন সন্মানেৰে বিভূষিত আই পি টি এৰ প্ৰাক্তন কাণ্ডাৰীগৰাকীৰ জীৱন আৰু কৰ্মৰ স্মৃতিচাৰণৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানটিত গীত-মাতৰ অনুষ্ঠানৰ লগতে স্মাৰক বক্তৃতানুষ্ঠানো সম্পন্ন হ'ব। ৰাজ্যৰ এগৰাকী বিশিষ্ট নিৰন্ধকাৰ ড০ পৰমানন্দ মজুমদাৰে এই অনুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰিব বুলি ভাৰতীয় গণনাট্য সংঘৰ ৰাজ্যিক সমিতিয়ে জানিবলৈ দিছে।

আনহাতে অহা ১৮ ডিচেম্বৰৰ পৰা ৰাজস্থানৰ আল্লোৱাৰত আয়োজিত নৃত্য-গীতৰ ৰাষ্ট্ৰীয় উৎসৱতো আই পি টি এৰ অসম ৰাজ্যিক সমিতিৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰাৰ সম্ভাৱনাৰ বিষয়ে সমিতিয়ে প্ৰকাশ কৰিছে।

০০০০০

গুৱাহাটী ক্ৰীড়া সংস্থাৰ উদ্যোগত আৰু অসম ক্ৰিকেট সংস্থাৰ পৃষ্ঠপোষকতাত কাইলৈৰ পৰা ৰাজ্যৰ ৩০টা স্থানত ৭১ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। গুৱাহাটীত কালি এখন সংবাদমেলত গুৱাহাটী ক্ৰীড়া সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া মুনীন নবীশে কয় যে প্ৰতিযোগিতাখনত ২৯ খন জিলাৰ ২৩২টা দলে অংশগ্ৰহণ কৰিব। তিনিটা পৰ্যায়ত হ'বলগীয়া প্ৰতিযোগিতাখনৰ মুঠ প্ৰাইজমানি ৮০ লাখ টকা। প্ৰতিযোগিতখনৰ অন্তিম পৰ্যায়ৰ খেলসমূহ অহা ২০ নৱেম্বৰৰ পৰা গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত হ'ব। অহা ২৯ নৱেম্বৰত সামৰণি পৰিবলগীয়া এইবাৰৰ বৰদলৈ ট্ৰফীৰ দায়িত্ব অসম ক্ৰিকেট সন্থাই লোৱা বুলি সংবাদমেলযোগে আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।

০০০০০০০০০

অসম আজি ৰাজকোটত হ'বলগীয়া ৰঞ্জি ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্য্যায়ৰ তৃতীয়খন খেলত সৌৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনৰ বাবে অসম দলত কিছু সালসলনি কৰা হৈছে। অপেনাৰ ঋষভ

দাস আৰু পেচ বলাৰ দীপজ্যোতি শইকীয়াক দলৰ পৰা বাদ দিয়া হৈছে। প্ৰদ্যুন শইকীয়াক দলত অন্তভুক্ত কৰা হৈছে। অসমে ইতিমধ্যে প্ৰথম দুখন খেলৰ পৰা ৭ পইণ্ট সংগ্ৰহ কৰিছে। অসমে পঞ্জাৱৰ বিৰুদ্ধে প্ৰথমখন খেলত ১ পইণ্ট লাভ কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত ত্ৰিপুৰাক পৰাস্ত কৰি ৬ পইণ্ট অৰ্জন কৰে।

০০০০০০

শ্ৰীভূমিত বিহু দলৰ ওপৰত আক্ৰমণৰ ঘটনা, অসম-মণিপুৰ-মিজোৰামত অপাৰেচন ট্ৰাইডেণ্টৰ অধীনত ড্ৰাগছ্‌ সৰবৰাহৰ সৈতে জড়িত ১৮ জনক গ্ৰেপ্তাৰ, হিংসা-জৰ্জৰিত অৰুণাচললৈ দ্ৰুত কাৰ্য্যবাহিনীৰ দুটা কোম্পানী প্ৰেৰণ আদি বা-বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকত সমূহৰ প্ৰথম পৃষ্ঠা অধীকাৰ কৰিছে।

শ্ৰীভূমিত দেৱী বিসৰ্জন সমদলত অনুষ্ঠান পৰিৱেশনৰ বাবে যোৱা বিহু দলৰ ওপৰত আক্ৰমণৰ বাতৰিক দৈনিক অসম কাকতে শ্ৰীভূমিত বিহু দলৰ ওপৰত চৰম বৰ্বৰতা শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক দৈনিক অগ্ৰদূত সহ প্ৰায় আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

প্ৰধানমন্ত্ৰীয়ে উত্তৰ প্ৰদেশৰ বাৰাণসীত কালি গংগা নদীৰ ওপৰত বায়ুসেনাৰ যুদ্ধ বিমানৰ ৰণকৌশল প্ৰদৰ্শন কৰাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে নমো ঘাটত গংগাৰ আকাশত বায়ুসেনাৰ এয়াৰ শ্ব' উপভোগ মোডীৰ শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে অসম-মণিপুৰ-মিজোৰামত অপাৰেচন ট্ৰাইডেণ্টৰ অধীনত ড্ৰাগছ্‌ সৰবৰাহৰ সৈতে জড়িত ১৮ জনক গ্ৰেপ্তাৰ আৰু নগদ ধন জব্দ হোৱাৰ বাতৰি অসম-মিজোৰাম-মণিপুৰৰ ৩৮ টা স্থানত একেদিনাই অপাৰেচন ট্ৰাইডেণ্ট শিৰোনামেৰে প্ৰকাশ কৰিছে। আমাৰ অসম আৰু দা ছেণ্টিনেলৰ লগতে আন কেইবাখনো কাকতে এই বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি ১২ বছৰীয়া মন কী বাতক তীৰ্থ যাত্ৰা আখ্যা দিয়াৰ বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ২০১৯ চনৰ পৰা ২০২৬ চনৰ জুলাইলৈকে ৩৬ খন দেশৰ পৰা ২৭৪ জন পলাতক অপৰাধীক ভাৰতলৈ ঘূৰাই অনাৰ এটা বাতৰি অসমীয়া খবৰ কাকতে ৩৬ খন দেশৰ পৰা ভাৰতলৈ ওভতাই অনা হ'ল ২৭৪ অপৰাধী শিৰোনামেৰে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে কেন্দ্ৰীয় চৰকাৰে হিংসা জৰ্জৰিত অৰুণাচল প্ৰদেশলৈ দ্ৰুত কাৰ্য্যবাহিনীৰ দুটা কোম্পানী প্ৰেৰণ কৰাৰ বাতৰি centre rushes 2 raf coys to violence hit arunachal শিৰোনামেৰে প্ৰকাশ কৰিছে।

০০০০০

গুৱাহাটীৰ গণেশপাৰাৰ নিবাসী ষ্টেটফেডৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা সমাজকৰ্মী অম্বিকা চক্ৰৱৰ্তীৰ কালি নিশা নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৩ বছৰ। বিগত কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা ব্যক্তিগৰাকীৰ মৃত্যুত গণেশপাৰাৰ লগতে তেওঁৰ জন্মস্থান নলবাৰীৰ গন্ধীয়াত শোকৰ ছাঁ পৰিছে।

০০০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পুৱা আৰু গধূলিৰ ভাগলৈ কুঁৱলী পৰাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, নাগালেণ্ড, মেঘালয় আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

0000000

**সমাপ্ত**